**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 11**-07-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::**

ৰাজ্যৰ কেইবাখনো জিলাত বতৰ ফৰকাল হোৱাৰ বাবে বাঢ়নি পানী হ্ৰাস পাইছে যদিও এতিয়াও ২৭খন জিলাৰ ১৪ লাখতকৈ অধিক লোক বানৰ কবলত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি এতিয়াও ৮৬টা ৰাজহ চক্ৰৰ দুহেজাৰ ৫০০ ৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত পুনৰ ৪ জন লোকে প্ৰাণ হেৰুওৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৮৩ লৈ বৃদ্ধি পাইছে। ৰাজ্য চৰকাৰে, ২০৯টা আশ্ৰয় শিবিৰ আৰু ১৫৬ টা সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি বৰাক উপত্যকাৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ বাবে শিলচৰত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে কেইবাটাও আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্তসকলৰ অৱস্থাৰ বুজ লয়। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে কাছাৰ জিলাখনৰ আয়ুক্ত কাৰ্যালয়ত এখন বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে ধাৰাষাৰ বৰষুণৰ ফলত কাছাৰ জিলাত বানে বিস্তৰ ক্ষতি কৰিছে। বানৰ ফলত কুম্ভীৰগ্ৰাম বিমান বন্দৰৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথ খহি যোৱাৰ বাবে পথটোৰে যাতায়াত ব্যাহত হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে, ক্ষতিগ্ৰস্ত লোকসকলক সকলো ধৰণৰ সাহায্য আৰু ক্ষতিপূৰণ নিশ্চিত কৰিবলৈ কাছাৰৰ অভিভাৱক মন্ত্ৰীগৰাকী দুদিন জিলাখনত থাকি সকলো দিশ তদাৰক কৰিব।

লখিমপুৰ জিলাৰ ঢকুৱাখনাত জিয়াঢল নৈৰ বানে ভালেমান অঞ্চল প্লাবিত কৰিছে। কেইবাটাও অঞ্চলত জনসাধাৰণৰ বাসগৃহ আৰু কৃষিভূমি বানত বুৰ গৈ আছে। ইপিনে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বান পৰিস্থিতি এতিয়াও স্বাভাবিক হোৱা নাই। উদ্যানখনত ৯টা গঁড়সহ ১৬৩ টা বন্যপ্ৰাণীৰ বানৰ ফলত মৃত্যু হৈছে। এতিয়াও উদ্যানখনৰ মুঠ ২৩৩ টা বন শিবিৰৰ ৫১টা পানীৰ তলত আছে। বানত উদ্যানখনৰ ভিতৰৰ কেইবাখনো দলং ভাগি পৰাৰ লগতে অন্যান্য আন্তঃগাঁথনিৰো ক্ষতি হৈছে।

ৰাজ্যৰ খাদ্য আৰু অসামৰিক যোগান তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বৰপেটা জিলাৰ সৰ্থেবাৰীত বান পৰিস্থিতিৰ বুজ লয়। উল্লেখযোগ্য যে, বুঢ়াদিয়া নৈৰ বানে সৰ্থেবাৰীৰ বিস্তীৰ্ণ অঞ্চল বুৰাই পেলোৱাৰ ফলত কেইবাহাজাৰো লোক বানত ক্ষতিগ্ৰস্ত হৈছে। সম্প্ৰতি পানী শুকাইছে যদিও পৰিস্থিতি স্বাভাৱিক হোৱা নাই। মন্ত্ৰীগৰাকীয়ে বান ক্ষতিগ্ৰস্তসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ ক্ষয়-ক্ষতি আৰু সাহায্য বিতৰণ প্ৰক্ৰিয়াৰ বুজ লয়। **গোৱালপাৰা** জিলাৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও যোৱা নিশাৰ পৰা হৈ থকা বৰষুণে পুনৰ ন ন অঞ্চল প্লাবিত কৰাৰ আশংকাই দেখা দিছে। জিলাখনৰ ২৮৭ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। জিলাখনত ৮০ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। প্ৰশাসনে স্থান কৰা ১২ টা আশ্ৰয় শিবিৰত তিনি হাজাৰ ৪০০ৰো অধিক লোকে আশ্ৰয় লৈ আছে।

মৰিগাঁও জিলাত আজি স্বেচ্ছাসেৱী সংস্থা এটাৰ উদ্যোগত জিলাখনৰ ভূৰাগাঁও ৰাজহ চক্ৰৰ বান ক্ষতিগ্ৰস্ত বৰালীমাৰী, কছাৰীগাঁও, লেঙেৰীবড়ি আৰু জেংবড়ি এলেকাত সাহায্য বিতৰণ কৰা হয়। সাহায্যসমূহ বিতৰণৰ সময়ত জিলাখনৰ আয়ুক্ত দেৱাশিষ শৰ্মাৰ উপৰি প্ৰশাসনৰ কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে।

ৰাজ্যখনত বান পৰিস্থিতিয়ে বিভিন্ন অঞ্চলত সমস্যাৰ সৃষ্টি কৰাৰ প্ৰতি লক্ষ্য ৰাখি সেৱা ভাৰতী পূৰ্বাঞ্চলৰ কৰ্মীসকলে উদ্ধাৰ আৰু সাহায্য অভিযানত জড়িত হৈছে। তেওঁলোকে দেশৰ অন্যান্য প্ৰান্তৰ লোকক অসমৰ বান ক্ষতিগ্ৰস্ত লোকসকলক সহায়ৰ বাবে আহ্বান জনাইছে। তদুপৰি তেওঁলোকে ক্ষতিগ্ৰস্তসকলক সহায়ৰ বাবে বেংক একাউণ্ট নম্বৰ, হোৱাটছআপ নম্বৰ আদি মুকলি কৰি জনসাধাৰণক সাহায্য আগবঢ়াবলৈ আগবাঢ়িছে।

00000000

ৰাজ্যত বন্ধ হৈ থকা শীতল ভঁৰালসমূহ পুনৰুজ্জীৱিত কৰাৰ লগতে নতুন শীতল ভঁৰাল নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি কৃষি বিভাগৰ মন্ত্ৰী অতুল বৰাই প্ৰকাশ কৰিছে। এই সন্দৰ্ভত দিছপুৰত অনুষ্ঠিত এখন বৈঠকত কৃষি উৎপাদন আয়ুক্ত তথা কৃষি বিভাগৰ আয়ুক্ত সচিব অৰুণা ৰাজোৰীয়া, সচিব তেজপ্ৰসাদ ভূষালৰ লগতে বিভাগৰ আন জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মন্ত্ৰী শ্ৰীবৰাই শীতল ভঁৰালসমূহৰ স্থিতি সন্দৰ্ভত আলোচনা কৰে। তেওঁ কয় যে, সহজে নষ্ট হ'ব পৰা খাদ্য সামগ্ৰীৰ ম্যাদ বৃদ্ধি তথা গুণগত মান অক্ষুণ্ণ ৰখা, নষ্ট হোৱাৰ পৰিমাণ হ্ৰাস কৰা, পৰিবহণ ব্যয় হ্ৰাস কৰা আদিৰ ক্ষেত্ৰত শীতল ভঁৰাল ব্যৱস্থাই কৃষক আৰু ব্যৱসায়ীসকলক উপকৃত কৰিব।

00000000

শিৱসাগৰ জিলাৰ আমগুৰিত আজি ৩০খন বিছনাযুক্ত চামগুৰি আদৰ্শ চিকিৎসালয়খন মুকলি কৰা হয়। প্ৰাৰম্ভিক পৰ্যায়ত প্ৰাথমিক চিকিৎসা সেৱা আৰম্ভ কৰা চিকিৎসালয়খনত পৰৱৰ্তী সময়ত প্ৰাথমিক চিকিৎসাৰ লগতে প্ৰসূতিৰ বাবে আৰু জৰুৰীকালীন চিকিৎসাও আগবঢ়োৱা হ'ব। শিৱসাগৰৰ জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱে চিকিৎসালয়খন মুকলি কৰে।

00000000

ওড়িশাৰ ভুৱনেশ্বৰত অনুষ্ঠিত খেলো ইণ্ডিয়া মহিলা মাণ্ডলিক ভাৰোত্তোলন চেম্পিয়নশ্বিপত অসমৰ মনিষা সোণোৱালে ৰূপৰ পদক অৰ্জন কৰে। মনিষাই যুথ শাখাত ১২০ কিলোগ্ৰাম ওজন দাঙি ৰূপৰ পদক জয় কৰে। আনহাতে ৰেখামণি গগৈয়ে জুনিয়ৰ শাখাত ৰূপ আৰু ছিনিয়ৰ শাখাত ব্ৰঞ্জৰ পদক দখল কৰিবলৈ সমৰ্থ হয়। অসমৰ মৃদুস্মিতা চিত্ৰকৰে ৪০ কিলোগ্ৰাম যুথ শাখাত ৰূপ পদক অৰ্জন কৰে।

00000000

কোকৰাঝাৰত অহা ৩০ জুলাইৰ পৰা ২৫ আগষ্টলৈ ১৩৩ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই উপলক্ষে বিটিচিৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে বিটিআৰৰ ৫খন জিলাতে ট্ৰফী প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছে। এই অভিযানৰ অংশ হিচাপে কাইলৈ তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ডুৰাণ্ড কাপ ট্ৰফী ভ্ৰমণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি কাইলৈ দুপৰীয়া এখন প্ৰদৰ্শনীমূলক ফুটবল খেল অনুষ্ঠিত হ'ব।

00000000

মাজুলীৰ বৰ এলেঙী সত্ৰৰ সত্ৰাধিকাৰ তথা সত্ৰীয়া সংস্কৃতিৰ নিৰলস সাধক ভবানন্দ দেৱ গোস্বামীৰ আজি দেহাৱসান ঘটে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী অতুল বৰা আৰু মন্ত্ৰী ডা০ ৰণোজ পেগুৱে

সত্ৰাধিকাৰগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একান্ত অনুগামী দেৱ গোস্বামীয়ে অসমীয়া জাতি জীৱনলৈ আগবঢ়োৱা অৱদানক ৰাজ্যবাসীয়ে স্মৰণ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। একেদৰে মন্ত্ৰী বৰা আৰু ডা০ পেগুৱে দেৱ গোস্বামীৰ মৃত্যু জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰে।

oooooooo

ঃসমাপ্তঃ